# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-NOV-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

---

সমগ্ৰ দেশে আজি স্বাধীনতা সংগ্ৰামী তথা জনজাতীয় নেতা বীৰছা মুণ্ডাৰ জয়ন্তী জনজাতীয় গৌৰৱ দিৱস হিচাপে পালন কৰিছে।

অসমতো আজি জনজাতি পৰিক্ৰমা বিভাগৰ সৌজন্যত বিভিন্ন জিলাত এই কাৰ্যসূচী অনুষ্ঠিত হয়। **গোলাঘাট** জিলাৰ পুলিবাগান অঞ্চলৰ মুৰংঘৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰা হয়। জিলা প্ৰশাসনৰ উদ্যোগত আয়োজিত এই অনুষ্ঠানত সাংস্কৃতিক শোভাযাত্ৰাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত বিত্তমন্ত্ৰী অজন্তা নেওগ উপস্থিত থাকে।

কাৰ্বি আংলং জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলাখনৰ পাৰখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গনত বিৰচা মুণ্ডাৰ জয়ন্তী উদযাপন কৰা হয়। এই উপলক্ষে আমন্ত্ৰিত অতিথিসকলে নাহৰ গছৰ পুলি ৰোপণ কৰাৰ লগতে বিভিন্ন উন্নয়ন খণ্ডৰ বিপনীসমূহ মুকলি কৰে। বিৰচা মুণ্ডাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজলনেৰে আৰম্ভ হোৱা মূল অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং উপস্থিত থাকে। শ্ৰীৰংহাঙে কেন্দ্ৰীয় চৰকাৰে জনজাতীয় লোকসকলৰ নিৰাপত্তা আৰু উন্নয়নৰ বাবে গ্ৰহণ কৰা অভিলাসী আঁচনিসমূহৰ বিষয়ে উল্লেখ কৰি জিলাখনত ৪ খন একলব্য বিদ্যালয় নিৰ্মাণৰ বাবে কেন্দ্ৰৰ পৰা ২৫৬ কোটি টকাৰ আৱণ্টন লাভ কৰিছে বুলি উল্লেখ কৰে।

বিশ্বনাথ জিলাৰ বিহালী সমজিলাৰ বৰগাঁওত অনুষ্ঠিত জনজাতীয় গৌৰৱ দিৱসৰ অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ শ্ৰীসোণোৱালে স্বাধীনতা সংগ্ৰামী বিৰচা মুণ্ডাৰ কৰ্মৰাজি সোঁৱৰণ কৰাৰ লগতে তেওঁৰ আদৰ্শৰ প্ৰাসংগিকতাৰ বিষয়ে উল্লেখ কৰে। লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে আদিৱাসী নেতাগৰাকীক যথাযোগ্য সন্মান দিছে বুলিও তেওঁ উল্লেখ কৰে।

**বাইট ঃ সোণোৱাল**

মাজুলী জিলাতো আজি জিলা প্ৰশাসনৰ উদ্যোগত কাৰ্কিচুক ৰংগমঞ্চত জনজাতীয় গৌৰৱ দিৱস পালন কৰা হয়।

শিৱসাগৰ জিলাৰ দিছাংমুখৰ লিগিৰিবাৰী মুৰংঘৰ প্ৰাংগনত আযোজিত এই দিৱসৰ কাৰ্যসূচী আজি প্ৰাক্তন বিধায়ক কুশল দুৱৰীয়ে মুকলি কৰে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি জনজাতীয় লোকসকলৰ কল্যান বাবে বিভিন্ন বিভাগে ৰূপায়ণ কৰা আঁচনিসমূহৰ বিষয়ে ৰাইজক অৱগত কৰোৱাৰ উদ্দেশ্যে এখন প্ৰদৰ্শনী মুকলি কৰা হয়। বৰাক উপত্যকাতো জনজাতীয় স্বাধীনতা সংগ্ৰামী, ধৰতি আবা হিচাপে অভিহিত বিৰচা মুণ্ডাৰ জয়ন্তী পালন কৰা হয়। এই উপলক্ষে কাচাৰ জিলা প্ৰশাসনৰ উদ্যোগত লক্ষীপুৰৰ ফুলেৰতলত আয়োজিত অনুষ্ঠানত মন্ত্ৰী কৌশিক ৰায়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত বিভিন্ন জনগোষ্ঠীয় সাংস্কৃতিক নৃত্য প্ৰদৰ্শন, হস্তশিল্পৰ প্ৰদশনী আৰু খাদ্য মেলা অনুষ্ঠিত হয়। হোজাই জিলাতো আজি বিৰচা মুণ্ডাৰ জয়ন্তী পঞ্চম জনজাতীয় গৌৰৱ পযেকৰ অংশ হিচাপে উদযাপন কৰা

হয়। এই উপলক্ষে জিলাখনৰ শিংজুৰি খেলপথাৰত  আয়োজিত অনুষ্ঠানত বিধায়ক ৰামকৃষ্ণ ঘোষ, জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশ লয়।

০০০০০

অসমৰ চহকী ইতিহাস সমৃদ্ধ বৃন্দাৱনী বস্ত্ৰ অসমলৈ প্ৰদৰ্শনৰ বাবে অনা সন্দৰ্ভত আলোচনাৰ বাবে আজি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা লণ্ডনলৈ ৰাওনা হৈছে। লণ্ডনৰ সংগ্ৰহালয়ত থকা এই আপুৰুগীয়া বস্ত্ৰ অসমলৈ প্ৰদৰ্শনৰ বাবে অনা সন্দৰ্ভত ইতিমধ্যে ইংলেণ্ডৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰা হৈছিল। এই অনুসৰি এই বস্ত্ৰভাগ গুৱাহাটীলৈ আনি খানাপাৰাত সংগ্ৰহালয়ত বিশেষভাৱে সংৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰা হ'ব আৰু ইয়াৰ বাবে ভূমিও আৱণ্টন দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে।   কাইলৈ লণ্ডনৰ সংগ্ৰহালয়ৰ কৰ্তৃপক্ষ আৰু অসম চৰকাৰৰ মাজত এই সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আজি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে।

০০০০০

সদৌ অসম সত্ৰ মহাসভাৰ ধেমাজি জিলা শাখাৰ উদ্যোগত ধেমাজি কেন্দ্ৰীয় সত্ৰীয়া সংস্কৃতি দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। সত্ৰ মহাসভাই সংস্কৃতি দিৱসৰ কাৰ্যসূচীৰ লগতে অহা ১৯ আৰু ২০ নৱেম্বৰত সত্ৰীয়া নৃত্যৰ ৰাষ্ট্ৰীয় স্বীকৃতিৰ ৰূপালী জয়ন্তী বৰ্ষও উদযাপনৰ কাৰ্যসূচী হাতত লৈছে। ধেমাজিৰ চিলাৰায় ভৱনত আয়োজন কৰা কাৰ্যসূচীত আজি পুৱা ঊষা কীৰ্তন, ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, নাম প্ৰসংগ, ভাগৱত পাঠ আৰু আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই কাৰ্যসূচীতেই সত্ৰ মহাসভাই সত্ৰীয়া সংস্কৃতিৰ বঁটা, জীৱনজোৰা সাহিত্য বঁটা, সাহিত্য পুষ্প বঁটা, সংবাদজ্যোতি বঁটা আদিকে ধৰি কেইবাটাও সন্মান প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা জানিবলৈ দিয়ে।

০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ বৃদ্ধি হোৱাৰ ফলত হাজাৰ হাজাৰ গাহৰি নিধন কৰা হৈছে। ইয়াৰ ফলত ক্ষুদ্ৰ আৰু বৃহৎ গাহৰি পালকসকলৰ যথেষ্ট ক্ষতি হৈছে। উজনি অসমৰ বিভিন্ন জিলাত বিশেষকৈ শিৱসাগৰ, ধেমাজি, ডিব্ৰুগড় আৰু লখিমপুৰত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ সৰ্বাধিক হোৱা বুলি আমাৰ সংবাদদাতাসকলে জনাইছে।

গোলাঘাট জিলাত আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰকোপ বৃদ্ধি পাইছে। ইতিমধ্যে সৰুপথাৰৰ খনিকৰ গাঁও, মৰঙি আৰু বৰহোলাত  এই ৰোগৰ উপস্থিতি নিশ্চিত হৈছে। ৰোগৰ বিস্তাৰ ৰোধৰ বাবে জিলা দণ্ডাধীশে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ নম্বৰ ধাৰা অনুসৰি কিছু নিষেধাজ্ঞা জাৰি কৰিছে। গাহৰি, গাহৰিৰ মাংস, গাহৰিৰ খাদ্য আৰু আনুসংগিক সামগ্ৰীসূহৰ ক্ৰয়-বিক্ৰয় পৰিবহন্ৰ জিলাখনত নিষিদ্ধ কৰা হৈছে। জনস্বাস্থ্য আৰু পশু স্বাস্থ্য সুৰক্ষাৰ স্বাৰ্থত সকলো ৰাইজক প্ৰশাসনে সহযোগ কৰিবলৈ আহ্বান জনাইছে।

০০০০০

সমাপ্ত